অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ ঃ এজবেক/প্ৰেছ/০০৯/০১/২০২১ তাৰিখ ঃ ১৩-০২-২০২১
Ref : Date :

## —প্ৰেছ বিজ্ঞপ্তি—

# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ ব্যাপক সাংগঠনিক কৰ্মসূচী গ্ৰহণ

**১৩ ফেব্ৰুৱাৰী, গুৱাহাটী** : অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)ৰ জিলা সমন্বয়ৰক্ষী সমিতিসমূহৰ সভাপতি আৰু সম্পাদকসকলৰ অংশগ্ৰহণেৰে আজি গুৱাহাটীৰ অসম জাতীয় বিদ্যালয় চৌহদত এখন সাংগঠনিক সভা অনুষ্ঠিত হয়।

১৯৯৪ চনত মাতৃভাষা মাধ্যমত বিজ্ঞানসন্মত শিক্ষাদানৰ নীতিৰ আধাৰত গুৱাহাটীত স্থাপন হোৱা অসম জাতীয় বিদ্যালয়ৰ নীতি আৰু আদৰ্শত পৰৱৰ্তী সময়ত অসমৰ বিভিন্ন প্ৰান্তত বহুতো জাতীয় বিদ্যালয় গঢ় লৈ উঠে। এনে সকলো জাতীয় বিদ্যালয়ৰ শৈক্ষিক কাৰ্য্যসূচী, পাঠ্যক্ৰম, পাঠ্যপুথি আদিৰ সুসমন্বয়ৰে জাতীয় বিদ্যালয় শিক্ষা ব্যৱস্থাটোক সঠিক দিশত আগবঢ়াই নিয়াৰ উদ্দেশ্যে 'অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ' (Assam Jatiya Bidyalay Education Council-AJBEC) গঠন কৰা হৈছিল।

শৈক্ষিক দিশত বিদ্যালয়সমূহক দিহা-পৰামৰ্শ দি আগবঢ়াই নিয়াৰ উদ্দেশ্যে এজবেকৰ ফালৰ পৰা বিগত বছৰবোৰত মান সম্পন্ন পাঠ্যপুথি প্ৰকাশ, শিক্ষক-প্ৰশিক্ষণ, উমৈহতীয়া প্ৰশ্নকাকত প্ৰস্তুতি, বিভিন্ন ধৰণৰ বিদ্যায়তনিক আৰু সাহিত্য-সাংস্কৃতিমূলক প্ৰতিযোগিতা, সাংগঠনিক সভা-সমিতি অনুষ্ঠিত কৰা ইত্যাদি কাম-কাজ কৰি অহা হৈছে। ২০১৮ চনত অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বছৰটো জাতীয় বিদ্যালয় সত্তাৰো ৰূপালী জয়ন্তী বৰ্ষ হিচাপে ৰাজ্যজুৰি উলহ-মালহেৰে পালন কৰা হয়। ২০১৯ আৰু ২০২০ বৰ্ষত সমগ্ৰ অসমতে ৰাজ্যিক, জিলা আৰু মাণ্ডলিক পৰ্য্যায়ত মুঠ ৩৬ খন সাংগঠনিক সভা অনুষ্ঠিত কৰা হয়। এই সভাবোৰত সৰ্বমুঠ প্ৰায় ১২৬০খন জাতীয় বিদ্যালয়ে অংশগ্ৰহণ কৰে। এজবেকৰ উদ্যোগত গুৱাহাটীত প্ৰতি বছৰে জাতীয় বিদ্যালয়সমূহৰ দুখনকৈ প্ৰতিনিধিত্বমূলক সভা অনুষ্ঠিত হয়।

সম্প্ৰতি অসমৰ সকলো জাতীয় বিদ্যালয়ক শৈক্ষিক দিশত এক সুষম নীতি, কাৰ্য্যপন্থা আৰু মানৰ আধাৰত আগবঢ়াই নিয়াৰ উদ্দেশ্যে এজবেকৰ সাংগঠনিক গাঁথনি ব্যাপক আৰু শক্তিশালী কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই লক্ষ্যৰে শেহতীয়াকৈ অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ২৬ খন জিলাতেই 'জাতীয় বিদ্যালয় জিলা সমন্বয়ৰক্ষী সমিতি' গঠনৰ কাম সম্পূৰ্ণ কৰা হৈছে।

ইয়াৰ উপৰিও এজবেকৰ অধীনত এখন শৈক্ষিক পৰিষদ (Academic Council), এখন কাৰ্য্যবাহী পৰিষদ (Executive Council) আৰু এখন সাধাৰণ পৰিষদ (General Council) গঠনৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। কাৰ্য্যবাহী পৰিষদখনে ২০১৯ চনৰ পৰাই কাৰ্য্যনিৰ্বাহ কৰি আছে। আজি ১৩/০২/২০২১ তাৰিখে অনুষ্ঠিত সাংগঠনিক সভাত এজবেকৰ সাধাৰণ পৰিষদখন গঠন কৰা হয়। সাধাৰণ পৰিষদত প্ৰতিখন জিলা সমন্বয়ৰক্ষী সমিতিৰ সভাপতি আৰু সম্পাদকসকলক অন্তৰ্ভুক্ত কৰা হৈছে। এজবেকৰ তিনিটা পৰ্য্যায়ৰ এই সাংগঠনিক পৰিষদৰ দায়িত্ব আৰু কৰ্তব্যসমূহো বিতং আলোচনাৰ অন্তত নিৰ্দিষ্ট কৰা হৈছে। শৈক্ষিক পৰিষদখনত (অবৈতনিক) অসমৰ শিক্ষাক্ষেত্ৰৰ অভিজ্ঞ, পাৰদৰ্শী আৰু জাতীয় বিদ্যালয় শিক্ষা ব্যৱস্থাৰ লগত সুদীৰ্ঘদিন ধৰি জড়িত হৈ থকা বিশিষ্ট ব্যক্তিসকলক অন্তৰ্ভুক্ত কৰা হৈছে। এখেতসকল হৈছে অসম মাধ্যমিক শিক্ষা পৰিষদৰ অৱসৰপ্ৰাপ্ত শৈক্ষিক বিষয়া সপোন দুৱৰা, ৰাজ্যিক শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক ডঃ মিজো প্ৰভা বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ অনুৰাধা শৰ্মা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° সত্যকাম বৰঠাকুৰ, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ গণিত বিভাগৰ

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ ঃ
Ref : এজবেক/প্ৰেছ/০০৯/০১/২০২১

তাৰিখ ঃ
Date : ১৩-০২-২০২১

অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড° প্ৰবীণ দাস, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ ডীন ড° দিব্যজ্যোতি মহন্ত, সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড° উমাচৰণ শৰ্মা, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ডঃ শৈৱাল সেনগুপ্ত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী, আই আই টি গুৱাহাটীৰ সমাজ বিজ্ঞান বিভাগৰ অধ্যাপক ড° অৰূপ জ্যোতি শইকীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড° অচ্যুত শৰ্মা আৰু বিশিষ্ট সংগীতজ্ঞ সুকুমাৰ বৰঠাকুৰ।

এজবেকৰ ভৱিষ্যত পৰিকল্পনাত বহুতো শৈক্ষিক আৰু সাংগঠনিক লক্ষ্য আৰু কাৰ্য্যপন্থা গ্ৰহণ কৰা হৈছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কিছু কাৰ্য্যপন্থা হৈছে— অসম জাতীয় বিদ্যালয় ন্যাসৰ দ্বাৰা প্ৰকাশিত ৰাষ্ট্ৰীয় মান সম্পন্ন পাঠ্যপুথিসমূহৰ নিৰৱচ্ছিন্ন পুনৰীক্ষণ, সংশোধন, সংযোজন; জিলা, মাণ্ডলিক আৰু ৰাজ্যিক ভিত্তিত নিয়মীয়া শিক্ষক প্ৰশিক্ষণ; জাতীয় বিদ্যালয়সমূহৰ নিয়মীয়া পৰিদৰ্শন; উমৈহতীয়া প্ৰশ্নকাকত ব্যৱস্থাৰ প্ৰসাৰ; ৰাজ্যিক ভিত্তিত প্ৰতিভা সন্ধানী বৃত্তি পৰীক্ষা; আন্তঃ জাতীয় বিদ্যালয় তৰ্ক-কুইজ, সাহিত্য-সংস্কৃতি-ক্ৰীড়া প্ৰতিযোগিতা; জিলা আৰু মাণ্ডলিক ভিত্তিত সাংগঠনিক কৰ্মশালা; ৰাজ্যিক ভিত্তিত দ্বিবাৰ্ষিক জাতীয় বিদ্যালয় সমাৰোহ; আন্তঃ জাতীয় বিদ্যালয় বিনিময় কাৰ্য্যসূচী ইত্যাদি।

উল্লেখযোগ্য যে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ, নুনমাটিৰ নীতি-নিৰ্দেশনা অনুসৰণ কৰা বিদ্যালয়সমূহে প্ৰতিবছৰে একোখন বাৰ্ষিক প্ৰতিবেদন এজবেকৰ কাৰ্য্যালয়ত জমা দিয়াৰ প্ৰক্ৰিয়া চলি আহিছে। কিন্তু এজবেকে প্ৰদান কৰা শৈক্ষিক দিহা-পৰামৰ্শ বা কোনো কাম-কাজৰ বাবে কোনো জাতীয় বিদ্যালয়ে এজবেকক কোনো ধৰণৰ মাচুল দিব নালাগে।

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ, নুনমাটিৰ শৈক্ষিক কাৰ্য্যক্ৰমণিকা সম্পূৰ্ণ মানি চলা জাতীয় বিদ্যালয়সমূহৰ এখন তালিকা আগন্তুক নতুন শিক্ষাবৰ্ষত বাতৰি কাকতত বিজ্ঞাপন আৰু ৱেবচাইটযোগে ৰাজহুৱাকৈ প্ৰকাশ কৰাৰ প্ৰস্তুতি চলি আছে। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ নীতি-আদৰ্শ সম্পূৰ্ণভাৱে পালন নকৰা জাতীয় বিদ্যালয়সমূহৰ নাম এনে তালিকাত স্থান নাপাব।

অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিনিধিসকলৰ উপস্থিতিত আজি অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে এজবেকৰ সভাপতি শ্ৰী ৰঞ্জিত নাৰায়ণ ডেকাই। সভাত বিভিন্ন জিলাৰ প্ৰতিনিধিসকলৰ উপৰিও বক্তব্য আগবঢ়ায় এজবেকৰ কাৰ্য্যকৰী সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডা° নাৰায়ণ শৰ্মা প্ৰমুখ্যে এজবেকৰ কাৰ্য্যবাহী সদস্য ক্ৰমে ঘনশ্যাম মেধি, অসীম কৃষ্ণ বৰুৱা, ৰবীন্দ্ৰ বৰ্মন আৰু ধ্ৰুৱ শৰ্মাই। শেষত শলাগৰ শৰাই আগবঢ়ায় অপৰাজিতা বৰাই।

জাতীয় বিদ্যালয় শিক্ষা ব্যৱস্থাটোক আগন্তুক দিনত শক্তিশালী ৰূপত আগবঢ়াই নিয়াৰ বাবে আজিৰ সভাই দৃঢ় সংকল্প গ্ৰহণ কৰে।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

১৩ ফেব্ৰুৱাৰী, ২০২১